# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

0000000

১। ৰাজ্যত ৰে’ল সেৱা সম্প্ৰসাৰণৰ বিভিন্ন বিষয় সন্দৰ্ভত ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে মুখ্যমন্ত্ৰীৰ আলোচনা।
২। ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা বৰাক উপত্যকাৰ শিল্পীসকলক আজি সম্বৰ্ধনা জ্ঞাপন।
৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা সংমণ্ডল পৰ্যটকৰ বাবে মুকলি।
৪। ৰাজ্যৰ ঠায়ে ঠায়ে ৰাস মহোৎসৱ পালনৰ প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত।

আৰু

৫। আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ খেলখন আৰম্ভ।

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে ৰাজ্যখনত ৰে’ল সেৱা সম্প্ৰসাৰণৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই ৰাজ্যৰ যাতায়ত ব্যৱস্থা অধিক সুশৃংখলিত কৰাৰ বাবে ৰে’ল সেৱাৰ বিভিন্ন দিশত নতুনত্বৰ পোষকতা কৰে। এই বৈঠকত অসমলৈ চলাচল কৰা তিনিখন নতুন অমৃত ভাৰত ৰে’লৰ যাত্ৰা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুৰ মাইণ্ডফুলনেছ চিটীলৈ নতুন ৰে’ল পথ নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে কৰা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। অসমৰ মাজেৰে চলাচল কৰা গুৰুত্বপূৰ্ণ ৰে’লসমূহৰ ষ্টপেজৰ সংখ্যা বৃদ্ধি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ৰে’ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ৰে’ল মন্ত্ৰীগৰাকীয়ে এই বিষযসমূহ বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে।

000000

বৰাক উপত্যকাৰ তিনিখন জিলাৰ পৰা যোৱা ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা শিল্পীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। শিলচৰৰ বংগ ভৱনত এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই হাইলাকান্দি, শ্ৰীভূমি আৰু কাছাৰ জিলাৰ মুঠ ৩৩১ গৰাকী শিল্পী, মূল প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যক প্ৰশংসা পত্ৰ আৰু মাননি প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী বৰাই কয়, যে ঝুমইৰ নৃত্য হৈছে চাহ জনগোষ্ঠীয় আৰু আদিবাসী সমাজৰ চহকী ঐতিহ্য তথা অসমৰ সম্পদ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত যোৱা ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ চাহ বাগিচাৰ ২০০ বছৰীয়া ঐতিহ্যক বিশ্ব দৰবাৰত পৰিচিত কৰিলে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

বাইট

আজিৰ অনুষ্ঠানত বৰাক উপত্যকাৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা সংমণ্ডল আজি পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কঁহৰা সংমণ্ডলৰ প্ৰৱেশদ্বাৰ মিহিমুখত আনুষ্ঠানিকভাৱে সংমণ্ডলটো মুকলি কৰে। এতিয়াৰে পৰা

পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰি উদ্যানখনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰিব। আজি এই কাৰ্যসূচীত বন মন্ত্ৰীৰ সৈতে মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এইদৰে কয় -

**বাইট**

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি, বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলৰ কিছু অংশ পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। সম্প্ৰতি কঁহৰা বনাঞ্চলৰ মিহিমুখৰ পৰা দাফলাং হৈ বৰুণটিকালৈ পৰ্যটকে জীপ চাফাৰি কৰিব পাৰিব। বন মন্ত্ৰীগৰাকীয়ে আজি কঁহৰা বনাঞ্চল মুকলি কৰি এইবাৰ উদ্যানখনলৈ আৰু অধিক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু ডব্লিউ টি আৰ পিৰ উদ্যোগত আজি মিহিমুখত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই কাজিৰঙা ৰাইন' ৰাণ শীৰ্ষক মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এটা খৰ্গযুক্ত গঁড়ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই মাৰাথনত অসমৰ উপৰি মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু মণিপুৰৰ তিনি শতাধিক প্ৰতিযযোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

অহা ১৫ নৱেম্বৰত ধৰতী আবা বীৰছা মুণ্ডাৰ জয়ন্তী উপলক্ষে ৰাজ্যৰ প্ৰতিখন জিলাত জনজাতীয় গৌৰৱ দিৱসৰ আয়োজন কৰা সন্দৰ্ভত আজি শিক্ষা তথা ভৈয়াম জনজাতি কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলা আয়ুক্ত আৰু স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰে। ভিডিঅ' কনফাৰেন্সিংযোগে অনুষ্ঠিত এই বৈঠকত মন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাতে জিলা প্ৰশাসন, স্বায়ত্ত শাসিত পৰিষদ, আই টি ডি পি বোৰ্ড, মহকুমা জনজাতি কল্যাণ বোৰ্ড আৰু জনজাতীয় ৰাইজৰ সহযোগত এই দিৱস উদযাপনৰ পৰামৰ্শ দিয়ে। ইয়াৰ লগতে জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলক জনজাতীয় গৌৰৱ বৰ্ষ উপলক্ষে সন্মান জনাবলৈ কাৰ্যসূচী লোৱাৰ বাবে মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱ পালনৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱ অনুষ্ঠিত হ'ব। এই উপলক্ষে নামঘৰ, মন্দিৰ আদিত সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ লোক, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে। একেদৰে নামনি অসমৰ বিভিন্ন স্থানত মৃন্ময় মূৰ্তিৰে ৰাস পালনৰ বাবে মৃৎ শিল্পীসকলে পূৰ্ণ গতিত কাম কৰি আছে।

মাজুলীৰ বিভিন্ন স্থানত পৰহিলৈৰ পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। আউনীআটী সত্ৰত অহা ৬ নৱেম্বৰত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। জিলাখনৰ সত্ৰসমূহৰ লগতে বিভিন্ন স্থানত এইবাৰ মুঠ ৬৫ খন ৰাস অনুষ্ঠিত হ'ব। বহুকেইটা মঞ্চত শিশু ৰাস, মিছিং ভাষাৰ ৰাস, মহিলা শিল্পীৰ দ্বাৰা ৰাস পৰিবেশন কৰা হ'ব। যোৰহাট জিলাৰ ঢেকীয়াজুলি, বামুণপুখুৰী, শিৱসাগৰ জিলাৰ হাফলুটিং, খনামুখ আদি অঞ্চলত ৰাসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। লখিমপুৰ, ধেমাজি জিলাৰ বিভিন্ন স্থানতো ৰাস উৎসৱৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে।

অসম মন্ত্ৰীসভাই ইতিমধ্যে ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি মাজুলীৰ ৬৭ খন ৰাস সমিতিক ৫০ হাজাৰ টকাকৈ আৰু ৰাজ্যৰ আন আন প্ৰান্তৰ ২ হাজাৰ ৬৮ খন ৰাস সমিতিক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। চৰকাৰে ৰাস সমিতিসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাত ৰাস সমিতিসমূহে সন্তোষ প্ৰকাশ কৰিছে।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ নেতা বিকাশ অসমক তিনি দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। ব্যৱসায়ীক ধনদাবী আৰু অপহৰণৰ গোচৰত অভিযুক্ত

বিকাশ অসম পলাতক হৈ আছিল আৰু কালি দিছপুৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। আত্মসমৰ্পণৰ পাছতে তেওঁক আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱায় আৰু আদালতে তিনি দিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত মহানগৰ আৰক্ষীৰ উপ-আয়ুক্ত মৃণাল ডেকাই এইদৰে কয় -

বাইট

0000000

স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত কাইলৈ মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে কাইলৈ বিয়লি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতি আদিৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

0000000

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই লখিমপুৰত কালিৰে পৰা আয়োজন কৰা অসম গ্ৰন্থমেলাৰ আজি দ্বিতীয় দিনা বহু গ্ৰন্থপ্ৰেমীৰ সমাগম হয়। বৰষুণকো নেওচি আজি বহু লোক নিজৰ পচন্দৰ গ্ৰন্থ ক্ৰয় কৰাৰ লগতে গ্ৰন্থ মেলাথলীত মননশীল অনুষ্ঠান প্ৰত্যক্ষ কৰাৰ বাবে সমবেত হয়। আজি বিয়লি গ্ৰন্থমেলাথলীত পদ্মনাথ গোহাঞি বৰুৱা আৰু অসমৰ সমসাময়িক বৌদ্ধিক সমাজ শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। আলোচনা মুকলি কৰি লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ মুকুন্দ ৰাজবংশীয়ে অসমীয়া ভাষাক সংকটৰ পৰা মুক্ত কৰি সমৃদ্ধ কৰাৰ ক্ষেত্ৰত পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদানৰ কথা সোঁৱৰণ কৰে। আলোচনা সত্ৰ সঞ্চালনা কৰি উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ অৰবিন্দ ৰাজখোৱাই অসমীয়া ভাষা আৰু বৌদ্ধিক ক্ষেত্ৰখনৰ পদ্মনাথ গোহাঞি বৰুৱাৰ গুৰি ধৰিছিল বুলি মত প্ৰকাশ কৰে। এই আলোচনাত লেখক তথা লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ ছাজ্জাদ হুছেইনেও অংশ লয়। আজি দ্বিতীয় দিনৰ সাংস্কৃতিক প্ৰতিযোগিতাত কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। গ্ৰন্থ মেলাথলীত আজি ড০ অমিয়া ৰাজবংশীৰ বিজ্ঞানৰ সুৰভি শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়।

000000

ৰাজ্যৰ বিভিন্ন স্থানত অহা ৫ নৱেম্বৰত ডঃ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী পালনৰ বাবে প্ৰস্তুতি চলি আছে। উত্তৰ **লখিমপুৰ** চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শিল্পীসকলে আজি ডঃ ভূপেন হাজৰিকাৰ পূণ্য তিথিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আখৰা কৰে। প্ৰতিকুল বতৰকো নেওচি জিলা আয়ুক্ত তথা স্থানীয় বিধায়ককে ধৰি ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য শিল্পীসকল আখৰাত উপস্থিত থাকে। ৫ নৱেম্বৰত লখিমপুৰতো ৫ হাজাৰ শিল্পীয়ে ডঃ ভূপেন হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰিব।

**কাৰ্বি আংলং** জিলাৰ ডিফুৰ কাছা ষ্টেডিয়ামত সেইদিনা ৫ হাজাৰ শিল্পীয়ে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীতটি সমস্বৰে পৰিৱেশন কৰিব। তদুপৰি ৫ হাজাৰ লোকে মানৱ শৃংখল প্ৰদৰ্শন কৰিব। এই উপলক্ষে জিলাখনৰ বিভিন্ন মহকুমাৰ পৰা ৫০০ কৈ শিল্পী, জ্যেষ্ঠ নাগৰিক, শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা সাংস্কৃতিক প্ৰতিনিধিক আমন্ত্ৰণ জনোৱা হৈছে।

000000

কাছাৰ আৰক্ষীয়ে ভুৱা চিকিৎসকৰ বিৰুদ্ধে অভিযান চলাই যোৱা দুদিনত পুনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। জিলাখনত ইয়াকে ধৰি বৰ্তমানলৈকে ১৭ জন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ গ্ৰেপ্তাৰ হোৱা ছোট জালেংগা দ্বিতীয় খণ্ডৰ বাসিন্দা সুপাল ৰায়ে দীৰ্ঘদিন ধৰি ৰোজকান্দি চাহ বাগিচাত নিজৰ ফাৰ্মাচীত চিকিৎসা আগবঢ়াই আহিছিল। পশ্চিমবংগৰ জলপাইগুৰিৰ বাসিন্দা ইন্দ্ৰজিৎ ৰায় নামৰ আনজন লোকে ধাৰাপুৰৰ এখন ক্লিনিকত ভিজিটিং চিকিৎসক হিচাপে ৰোগীক চিকিৎসা কৰিছিল।

0000000

ৰাজ্যৰ বিভিন্ন স্থানত ছোৱাইন ফ্লুৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। গোলাঘাট জিলাৰ সৰুপথাৰৰ খনিকৰ গাঁৱৰ এখন গাহৰি ফাৰ্মত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ নিশ্চিত হোৱাৰ পাছত জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি গাহৰি, গাহৰিৰ মাংস আৰু গাহৰিৰ খাদ্যৰ ক্ৰয়-বিক্ৰয় আৰু পৰিবহণ সৰু পথাৰৰ পৰা ১০ কিলোমিটাৰ পৰিসৰত নিষিদ্ধ কৰা হৈছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্যৰ সুৰক্ষাৰ স্বাৰ্থত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ এই নিৰ্দেশ মানি চলিবলৈ জিলা প্ৰশাসনে জনসাধাৰণক অনুৰোধ জনাইছে।

0000000

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰী চহৰৰ মাজ-মজিয়াত বড় মছজিদ চকত স্থাপন কৰা কামৰূপ ৰজা কুমাৰ ভাস্কৰ বাৰ্মাৰ প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে চহৰখনৰ মাজমজিয়াত এই আৱক্ষ মূৰ্তি স্থাপনে নতুন প্ৰজন্মক কামৰূপৰ পুৰণি ইতিহাসৰ বিষয়ে জানিবলৈ আগ্ৰহী কৰি তুলিব। অনুষ্ঠানত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীকে ধৰি কেইবাগৰাকী বিষয়া তথা সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

0000000

নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীত অনুষ্ঠিত আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈ ২৯ অ'ভাৰত দুটা উইকেট হেৰুৱাই ১৭১ ৰান সংগ্ৰহ কৰিছে। শেফালী বাৰ্মাই ৮৭ আৰু স্মৃতি মান্ধানাই ৪৫ ৰান কৰি আউট হয়। জেমিমা ৰ'দ্ৰিগ্‌ছে ২৪ আৰু হৰমনপ্ৰীত কৌৰে ৪ ৰান কৰি খেলি আছে।

0000000

হবাৰ্টৰ বেলেৰিভ অ'ভেলত অনুষ্ঠিত তৃতীয়খন টী-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰে। ভাৰতে ১৮৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি পাঁচটা উইকেট বাকী থকা অৱস্থাতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৱাশ্বিংটন সুন্দৰে ২৩ টা বলত ৪৯ ৰান কৰি আউত নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ২০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ১৮৬ ৰান সংগ্ৰহ কৰে। টিম ডেভিডে ৭৬ আৰু মাৰ্কছ ষ্টইনিছে ৬৪ ৰান কৰে। চাৰিটা অ'ভাৰত তিনিটা উইকেট দখল কৰা অৰ্শদীপ সিঙক মেন অব্ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত পাঁচখনীয়া শৃংখলাখনত ভাৰতে ১-১ৰ সমতা লাভ কৰিছে।

0000000

**সমাপ্ত**